**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬২৫/২০১৯**

## বিশিষ্ট সাংবাদিক প্ৰণৱজিৎ দলৈৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৩০ ডিচেম্বৰ ঃ** বিশিষ্ট সাংবাদিক প্ৰণৱজিৎ দলৈৰ বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক বিবৃতি যোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱন কালত প্ৰয়াত প্ৰণৱজিৎ দলৈয়ে ৰাজ্যখনৰ সংবাদ জগতলৈ যি সেৱা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এই গৰাকী বিশিষ্ট সাংবাদিকৰ বিয়োগ আমাৰ ৰাজ্যখনৰ সংবাদ জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত প্ৰণৱজিৎ দলৈৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে বিশিষ্ট সাংবাদিক প্ৰণৱজিৎ দলৈৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে।

এক শোক বাৰ্তাত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে বিশিষ্ট সাংবাদিক গৰাকীৰ বিয়োগ ৰাজ্যখনৰ সংবাদ তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি কয়।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে প্ৰয়াত প্ৰণৱজিৎ দলৈৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ/পুঃডেঃ /**
**৩০/১২/২০১৯**